**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**DATE :** 02-10-2025
**TIME :** 07-05 HRS

***ASSAMESE MORNING NSD BULLETIN***
***HEADLINES***

১। জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্ম জয়ন্তীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এটা বাৰ্তাযোগে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

২। চৰকাৰে ২০২৬-২৭ চনৰ বাবে সকলো বাধ্যতামূলক ৰবি শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধি কৰিছে।

৩। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ শতবৰ্ষ উদযাপন উপলক্ষে আজি পুৱা নাগপুৰত প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ উপস্থিতিত মূল কাৰ্যসূচী অনুষ্ঠিত হ'ব।

৪। বিজয়া দশমী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক শুভেচ্ছা জনাইছে। **আৰু**

৫। আই চি চি মহিলাৰ এদিনীয়া বিশ্বকাপ প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত এখন খেলত ডিফেণ্ডিং চেম্পিয়ন অষ্ট্ৰেলিয়াই নিউজিলেণ্ডক ৮৯ ৰানত পৰাস্ত কৰে।

০০০০০০

জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্ম জয়ন্তীত আজি ৰাষ্ট্ৰই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। এই উপলক্ষ্যে সমগ্ৰ দেশতে আৰু বহিঃৰাষ্ট্ৰৰ ভাৰতীয় দুটাবাস সমূহত কেইবাটাও অনুষ্ঠানৰ আয়োজন কৰা হৈছে আছে। ৰাষ্ট্ৰীয় ৰাজধানীৰ ৰাজঘাটস্থিত মহাত্মা গান্ধীৰ সমাধিত সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হৈছে। প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীকো আজি তেঁওৰ জন্ম বাৰ্ষিকীত ৰাষ্ট্ৰই স্মৰণ কৰিছে।

০০০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৬ সংখ্যক জন্ম জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি মুৰ্মুৱে কয় যে এয়া জাতিৰ পিতাৰ আদৰ্শ আৰু মূল্যবোধৰ প্ৰতি উৎসৰ্গা কৰাৰ এটা অনুষ্ঠান। তেওঁ লগতে কয় যে মহাত্মা গান্ধীয়ে শান্তি, সহনশীলতা, আৰু সত্যৰ বাৰ্তা দিছে, যিটো সমগ্ৰ মানৱ জাতিৰ বাবে এক প্ৰেৰণা। তেওঁ উল্লেখ কৰে যে মহাত্মা গান্ধীৱে অস্পৃশ্যতা, নিৰক্ষৰতা, মাদকদ্ৰব্যৰ প্ৰতি আসক্তি আৰু অন্যান্য অ সামাজিক কাৰ্য নিৰ্মূলৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰিছিল আৰু সমাজৰ দুৰ্বল শ্ৰেণীক শক্তি আৰু সমৰ্থন আগবঢ়াইছিল। ৰাষ্ট্ৰপতি মুৰ্মুৱে কয় যে মহাত্মা গান্ধীয়ে স্বাৱলম্বী, স্বনিৰ্ভৰ, আৰু শিক্ষিত ভাৰত গঢ়ি তোলাৰ লক্ষ্যৰে যতৰৰ জৰিয়তে আত্মনিৰ্ভৰশীলতাৰ বাৰ্তা দিছিল। ৰাষ্ট্ৰপতি গৰাকীয়ে সত্য আৰু অহিংসাৰ পথ অনুসৰণ কৰিবলৈ, ৰাষ্ট্ৰৰ কল্যাণ আৰু প্ৰগতিৰ প্ৰতি দায়বদ্ধ হৈ থাকিবলৈ নাগৰিকসকলক আহ্বান জনায়।

০০০০০০

মহাত্মা গান্ধীৰ গৃহ ৰাজ্য গুজৰাটতো জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্ম জয়ন্তী উদযাপনৰ বাবে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হ'ব। গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলে পোৰবন্দৰত মহাত্মা গান্ধীৰ জন্মস্থান কীৰ্তি মন্দিৰত হ'বলগীয়া প্ৰাৰ্থনা সভাত অংশগ্ৰহণ কৰিব । একেদৰে আজি পুৱা আহমেদাবাদৰ সাবৰমতী আশ্ৰমত সৰ্বধৰ্ম প্ৰাৰ্থনাৰো আয়োজন কৰা হ'ব। ৰাজ্যখনৰ বিদ্যালয়-মহাবিদ্যালয়সমূহে গান্ধীৰ দৰ্শনৰ ওপৰত আলোচনা চক্ৰ আৰু সাংস্কৃতিক কাৰ্যসূচী

আয়োজন কৰিছে । আমাৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি আজিৰ পৰা ৰাজ্যৰ খাদী আৰু হস্ত তাত সামগ্ৰী ক্ৰয়ত ৩০ শতাংশ বিশেষ ৰেহাই দিয়া হ'ব।

০০০০০০০

চৰকাৰে ২০২৬-২৭ চনৰ বিপণনৰ বাবে সকলো বাধ্যতামূলক ৰবি শস্যৰ নূন্যতম সমৰ্থন মূল্য (এমএছপি) বৃদ্ধি কৰিছে। এই সন্দৰ্ভত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ অধ্যক্ষতাত কেন্দ্ৰীয় মন্ত্ৰীসভাই এটা সিদ্ধান্ত গ্ৰহণ কৰে। এই অনুসৰি প্ৰতি কুইণ্টলত মচুৰ দাইল ৩০০ টকা, সৰিয়হৰ ২৫০ টকা, বাৰ্লি ১৭০ টকা, আৰু ঘেঁহু ১৬০ টকা এম এছ পি বৃদ্ধি কৰা হৈছে। কেবিনেট বৈঠকৰ পাছত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে সংশোধিত এমএছপিসমূহে কৃষকসকলক কেৱল উন্নত লাভৰ সুবিধা প্ৰদান কৰাই নহয়, শস্যৰ বৈচিত্ৰ্যকো উৎসাহিত কৰিব তথা ভাৰতৰ কৃষি অৰ্থনীতিত অধিক অৰিহণা যোগাব।

ঘৰুৱা উৎপাদন বৃদ্ধি আৰু দাইলৰ স্বাৱলম্বীতা লাভৰ লক্ষ্যৰে মিছন ফৰ আটমনিৰ্ভৰ্তা ইন পালছত কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনায়। ২০২৫-২৬ চনৰ পৰা ২০৩০-৩১ চনলৈ ছবছৰীয়া সময়ছোৱাত ১১ হাজাৰ ৪৪০ কোটি টকাৰ আৰ্থিক ব্যয়ৰে এই অভিযান কাৰ্যকৰী কৰা হ'ব। শ্ৰী বৈষ্ণৱে কয় যে, এই দাইল অভিযানে ২০৩০-৩১ চনৰ ভিতৰত উৎপাদন ৩৫০ লাখ টনলৈ বৃদ্ধি কৰিব। তেওঁ কয়, ইয়াৰ দ্বাৰা উন্নত বীজ,শস্য চপোৱাৰ পাছৰ আন্তঃগাঁথনি আৰু নিশ্চিত ক্ৰয়ৰ জৰিয়তে দুই কোটি কৃষক উপকৃত হ'ব। তেওঁ লগতে কয় যে এই অভিযানে অধিক উৎপাদনশীল, কীট-পটংগ প্ৰতিৰোধী আৰু জলবায়ু প্ৰতিৰোধী দাইলৰ বীজৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। কেন্দ্ৰীয় মন্ত্ৰীসভাই কালি ৫ হাজাৰ ৮৬২ কোটি টকাতকৈ অধিক ব্যয়ৰে সমগ্ৰ দেশতে ৫৭টা নতুন কেন্দ্ৰীয় বিদ্যালয় মুকলি কৰিবলৈও অনুমোদন জনায়। শ্ৰী বৈষ্ণৱে কয় যে যিবোৰ জিলাত কোনো কেন্দ্ৰীয় বিদ্যালয় নাই, সেইবোৰ জিলাত ২০খন কেন্দ্ৰীয় বিদ্যালয় মুকলি কৰা হ'ব। ইয়াৰ দ্বাৰা ৮৭ হাজাৰ ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব আৰু চাৰি হাজাৰ ছশ অতিৰিক্ত শিক্ষক পদৰ সৃষ্টি হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে।

০০০০০০

ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (RSS)ৰ শতবৰ্ষ উদযাপন উপলক্ষে আজি পুৱা নাগপুৰৰ ৰেচিমবাগত প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ উপস্থিতিত মূল কাৰ্যসূচী অনুষ্ঠিত হ'ব। বিজয়দশমীৰ দিনটোতে RSSৰ মুৰব্বী ডº মোহন ভাগৱতে মুখ্য ভাষণ দিব আৰু এই অনুষ্ঠানলৈ দেশ-বিদেশৰ বিশিষ্ট অতিথিসকলক আমন্ত্ৰণ জনোৱা হৈছে। এই বিশেষ কাৰ্যসূচীত প্ৰায় ২১ হাজাৰ স্বয়ংসেৱকে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

০০০০০০

শাৰদীয় দুৰ্গাপূজাৰ আজি বিজয়াদশমী। বিজয়দশমী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে এই উৎসৱ অধৰ্মৰ ওপৰত ধৰ্মৰ বিজয়ৰ প্ৰতীক আৰু এই উৎসৱে সত্য আৰু ন্যায়ৰ পথ অনুসৰণ কৰিবলৈ মানুহক অনুপ্ৰাণিত কৰে। ৰাৱণ দাহন আৰু দুৰ্গা পূজা হিচাপে দেশৰ বিভিন্ন প্ৰান্তত উদযাপন কৰা এই উৎসৱে জাতীয় মূল্যবোধৰ প্ৰতিফলন ঘটায় বুলিও তেওঁ আলোকপাত কৰে। তেওঁ লগতে কয় যে এই উৎসৱে সকলোকে খং আৰু অহংকাৰৰ দৰে নেতিবাচক প্ৰৱণতাক পৰিত্যাগ কৰিবলৈ, আৰু সাহস আৰু দৃঢ়তাৰ দৰে ইতিবাচক প্ৰৱণতাক আকোৱালি ল'বলৈও শিকাইছে। এই উৎসৱে ন্যায়, সমতা আৰু সমন্বয়ৰ সৈতে সকলো মানুহে একেলগে আগবাঢ়ি যোৱা এখন সমাজ আৰু দেশ গঢ়ি তুলিবলৈ অনুপ্ৰাণিত কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০

কেন্দ্ৰীয় তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি প্ৰতিষ্ঠান (এন আই ই এল আই টি)ৰ ডিজিটেল বিশ্ববিদ্যালয়ৰ প্লেটফ'ৰ্ম উদ্বোধন কৰিব। উচ্চমানৰ ডিজিটেল শিক্ষাৰ সুবিধাক সহজলভ্য কৰি তোলাৰ বাবে এই প্লেটফ'ৰ্মৰ পৰিকল্পনা কৰা হৈছে। এই উপলক্ষে মন্ত্ৰীগৰাকীয়ে বিহাৰৰ মুজাফ্ফৰপুৰ, ওড়িশাৰ বালাসুৰ, অন্ধ্ৰপ্ৰদেশৰ তিৰুপতি, মিজোৰামৰ লুংলেই আৰু দমনত পাঁচটা নতুন NIELIT কেন্দ্ৰ ভাৰ্চুৱেলি উদ্বোধন কৰিব।

০০০০০০০

আই চি চি মহিলাৰ এদিনীয়া বিশ্বকাপ প্ৰতিযোগিতাত যোৱা নিশা ইন্দোৰৰ হোলকাৰ ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ডিফেণ্ডিং চেম্পিয়ন অষ্ট্ৰেলিয়াই নিউজিলেণ্ডক ৮৯ ৰানত পৰাস্ত কৰে। প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লোৱা অষ্ট্ৰেলিয়াই ৪৭ অভাৰ ৩ টা বলত ৩২৬ ৰাণ সংগ্ৰহ কৰে। এছলেই গাৰ্ডনাৰে সৰ্বাধিক ১১৫ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে অ'পেনাৰ ফিবি লিচফিল্ডে ৪৫ ৰান সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ জেছ কেৰ আৰু লিয়া টাহুহুৱে ৩টাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত নিউজিলেণ্ডে মাত্ৰ ২৩৭ ৰানত আটাইকেইটা উইকেট হেৰুৱায়। অধিনায়ক ছফী ডেভাইনৰ ১১২ ৰানৰ ইনিংছ অথলে যায়। অষ্ট্ৰেলিয়াৰ হৈ ছফী মলিনেক্স আৰু এনাবেল চাথাৰলেণ্ডে ৩টাকৈ উইকেট দখল কৰে। এছলেই গাৰ্ডনাৰে বাবে প্লেয়াৰ অৱ দ্য মেচৰ বঁটা লাভ কৰে। ইফালে আজি কলম্বোৰ আৰ প্ৰেমদাছা ষ্টেডিয়ামত পাকিস্তানৰ বিৰুদ্ধে বাংলাদেশে অৱতীৰ্ণ হ'ব। বিয়লি ৩ বজাৰ পৰা খেলখন আৰম্ভ হ'ব।

০০০০০০০

পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰে ভাৰতৰ পৰোক্ষ কৰ ব্যৱস্থা সৰলীকৰণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। যোৱা ২২ ছেপ্তেম্বৰত এই নতুন ব্যৱস্থা ৰূপায়ণ কৰা হৈছে আৰু জনসাধাৰণে বৰ্তমান জি এছ টি সংস্কাৰৰ সুবিধা লাভ কৰিবলৈ সমৰ্থ হৈছে। এই নতুন ব্যৱস্থাৰ অধীনত জি এছ টি পৰিষদে পূৰ্বৰ ৫ শতাংশ, ১২ শতাংশ, ১৮ শতাংশ আৰু ২৮ শতাংশ জি এছ টিৰ সৰলীকৰণ কৰি ইয়াক বৰ্তমান ৫ আৰু ১৮ শতাংশ কৰিছে। সামগ্ৰী আৰু সেৱাৰ বিস্তৃত ক্ষেত্ৰত কৰৰ বোজা হ্ৰাস কৰাৰ জৰিয়তে জনসাধাৰণক যথেষ্ট সকাহ প্ৰদান কৰা হৈছে। ছাত্ৰ ছাত্ৰীসকলৰ বাবে পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰৰ অধীনত বহী, পেন্সিল আদিত ১২ শতাংশ ৰেহাই দিয়া হৈছে। একেদৰে ৰবৰৰ ক্ষেত্ৰত এতিয়াৰে পৰা কোনো ধৰণৰ জি এছ টি নাথাকিব। জ্যামিতিৰ বাকচ, ৰঙৰ বাকচ আৰু পেন্সিল বাকচত পূৰ্বৰ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। এই খণ্ডত কৰ কৰ্তনে ছাত্ৰ-ছাত্ৰীৰ আৰ্থিক চাপ লাঘৱ কৰাৰ লগতে বজাৰত এই সামগ্ৰীসমূহৰ খুচুৰা বিক্ৰী বৃদ্ধি কৰিব। এই খণ্ডত কৰ কৰ্তনে ছাত্ৰ-ছাত্ৰীক অৰ্থনৈতিক ভাৱে লাভান্বিত কৰাৰ লগতে বজাৰত এই সামগ্ৰীসমূহৰ খুচুৰা বিক্ৰী বৃদ্ধি কৰিব।

০০০০০০০

সমাপ্ত